

# চিনাকি অচিনাকি গছ আৰু ইয়াৰ বৈজ্ঞানিক নাম

## অ-ৰ পৰ খ-লৈ

মানস প্ৰতিম দত্ত






# চিনাকি-অচিনাকি গছ

# আৰু

# ইয়াৰ বৈজ্ঞানিক নাম

মানস প্ৰতিম দত্ত

**চিনাকি-অচিনাকি গছ আৰু ইয়াৰ বৈজ্ঞানিক নাম**

মানস প্ৰতিম দত্ত

**প্ৰথম প্ৰকাশ:** লকডাউন, এপ্ৰিল ২০২০


**গ্ৰন্থস্বত্ব:** লেখক

**প্ৰচ্ছদ সজ্জা:** মানস

**ভিতৰৰ ফটো:** ইণ্টাৰনেট

**বেটুপাতৰ শেষ পৃষ্ঠাৰ ফটো:** গিৰীণ কছাৰী

**মূল্য:** অমূল্য



কৰৈ পৰ উপকাৰ কিনো কৃপাময়।
পৰৰেসে অৰ্থে জীয়ে ইটো বৃক্ষচয়।।
থাকৈ সহি ৰহি মহা ৰৌদ্ৰ বৃষ্টি বাত।
আমি সুখে বান্তো ৰহি ইয়াৰ ছায়াত।।
পৰ উপকাৰী তৰু জনম সাৰ্থক।
সন্তৰ বিমুখ যেন নোহন্ত প্ৰাৰ্থক।।
বাকলি পল্লৱ মূল পত্ৰ পুষ্প ফল।
যেই যিবা চাৱৈ পাৱৈ বৃক্ষত সকল।।
জীৱনৰ সাফল দেহী এহিমানে।
জীয়ে পৰ উপকাৰ কৰি অৰ্থে প্ৰাণ।।

**শংকৰদেৱ** (ভাগৱত, দশম স্কন্ধ)

# চিনাকি অচিনাকি গছ আৰু ইয়াৰ বৈজ্ঞানিক নাম

**কৃতজ্ঞতা:**

সৌম্যদ্বীপ দত্ত, নৰ কুমাৰ চমুৱা

যুগল সন্দিকৈ, গিৰীণ কছাৰী

দেউতা, ভাইটি, তৃষ্ণা, প্ৰণৱ।

মানস প্ৰতিম দত্ত

# চিনাকি অচিনাকি গছ
# আৰু
# ইয়াৰ বৈজ্ঞানিক নাম

মানস প্ৰতিম দত্ত

**অৰ্পণ**

গছ ভাল পাবলৈ শিকোৱা **'মা'**ৰ পবিত্ৰ স্মৃতিত

# চিনাকি অচিনাকি গছ
# আৰু
# ইয়াৰ বৈজ্ঞানিক নাম

**চিনাকি-অচিনাকি গছ আৰু ইয়াৰ বৈজ্ঞানিক নাম** - এই কিতাপখিনি শিক্ষাৰ্থীসকলৰ উপযোগীকৈ লিখা হৈছে। বিভিন্ন তৰু, তৃণ, লতা, বৃক্ষৰ বৈজ্ঞানিক নাম আৰু ইয়াৰ অসমীয়া নাম সন্নিবিষ্ট কৰি শিক্ষাৰ্থীসকলক উদ্ভিদ জগতৰ সৈতে চিনাকী কৰি দিয়াটোৱেই এই কিতাপখনৰ মূল লক্ষ্য। আপোনালোকৰ দিহা-পৰামৰ্শ একান্তই কামনা কৰিলোঁ। প্ৰথমে ই-বুক হিচাপে আপোনালোকলৈ এই কিতাপখন আগবঢ়াই দিলোঁ, ইতিবাচক সহাঁৰি পালে ছপাৰূপত প্ৰকাশৰ চিন্তা কৰিম।

মানস প্ৰতিম দত্ত

**মানস প্ৰতিম দত্ত**
কনকলতা পথ,
বৰবিল, ডিগবৈ
ফোন:৮৬৩৮৭০৮০৭৮

# চিনাকি অচিনাকি গছ
# আৰু
# ইয়াৰ বৈজ্ঞানিক নাম

## সূচী

**প্ৰস্তাৱনা পৰ্ব :**

গছপুলি ৰোপনৰ প্ৰাসংগিক চিন্তা

বৈজ্ঞানিক নাম কিয় লাগে

**পৰিচয় পৰ্ব :**

চিনাকি অচিনাকি গছ আৰু ইয়াৰ বৈজ্ঞানিক নাম

মানস প্ৰতিম দত্ত

# গছপুলি ৰোপনৰ প্ৰাসংগিক চিন্তা

পৰিৱেশ অৱক্ষয় সাম্প্ৰতিক সমাজ ব্যৱস্থাৰ প্ৰতি এক ভয়াবহ প্ৰত্যাহ্বান । বিশ্বৰ অৰ্থনৈতিক অৱস্থা টনকীয়াল কৰাৰ নামত বিভিন্ন সময়ত প্ৰতিষ্ঠা কৰা বিভিন্ন উদ্যোগৰ ভয়াবহতা সম্পৰ্কে আমি জ্ঞাত। ১৯৭৩ চনৰ ৫ জুনৰ পৰা পৰিৱেশ অৱক্ষয় ৰোধৰ উদ্দেশ্যে সমগ্ৰ বিশ্বতে পৰিৱেশ দিৱস পালন কৰি অহা হৈছে ।প্ৰতি বছৰে পৰিৱেশ দিৱসৰ সময়ছোৱাত বিভিন্ন বিষয় মিৰ্বাচন কৰা হয় আৰু জন গণক উক্ত বিষয়ৰ প্ৰতি সজাগ কৰিবলৈ বিভিন্ন প্ৰকৃতি প্ৰেমী সংগঠন সমূহে বিভিন্ন সজাগতা সভাৰ আয়োজন কৰে । কিন্তু কেৱল এটা নিৰ্দিষ্ট দিনত আয়োজন কৰা এই সভা সমিতিসমূহৰ মূল উদ্দেশ্য কাৰ্যক্ষেত্ৰত পৰিণত হ'ব নোৱাৰে আৰু কাৰ্যক্ষেত্ৰত পৰিণত কৰিব নোৱাৰাটোৱেই সমগ্ৰ মানৱ জাতিৰ বাবেই লজ্জাজনক । ইয়াৰ মূল কাৰণ কি সেয়া ফহিয়াই চালে এই কথা স্পষ্ট হৈ পৰে যে কেৱল সভা সমিতি পাতিয়েই পৰিৱেশ সংৰক্ষণ কৰাটো অসম্ভৱ । প্ৰতিজন নাগৰিকৰ মন মগজুত বৈজ্ঞানিক মানসিকতা সৃষ্টি অবিহনে এই ধুনীয়া পৃথিৱীখন যে সোণকালে প্ৰদূষণে পূতি পেলাব সেয়া ধ্ৰুৱপ।

**জলবায়ুৰ পৰিৱৰ্তন আৰু গছবোৰ:**

পৃথিৱীৰ বহনক্ষম উন্নয়নহীনতাই জৈৱ বৈচিত্ৰ্যৰ প্ৰতি ভয়ংকৰ ভাবুকি কঢ়িয়াই আনিছে। যিহেতু বহনক্ষম উন্নয়নৰ মূল আধাৰসমূহৰ অন্যতম হ'ল পানী । পানী প্ৰদূষণ আৰু সংকটে সাংঘাটিক ধৰণে জলবায়ুৰ পৰিৱৰ্তন কৰাৰ লগতে বতৰৰ সৈতে প্ৰকৃতিৰ মাজৰ সম্পৰ্কত তাৰতম্য ঘটাইছে । ইয়াৰ অন্যতম উদাহৰণ হিচাপে আমি চাহ খেতিত দেখা দিয়া পৰিৱৰ্তনৰ কথা ক'ব পাৰোঁ । সচৰাচৰ নাতিশীতোষ্ণ অঞ্চল চাহ খেতিৰ বাবে উপযোগী যদিও প্ৰদূষণৰ লগতে আন্যান্য আনুষংগিক কাৰণত অসমৰ জলবায়ু পৰিৱৰ্তনৰ ফলত এফালে যদি অতিপাত খৰাং হয় অন্যফালে অতিপাত বৃষ্টিপাত হোৱাৰ ফলস্বৰূপে চাহৰ গুণগত মান হ্ৰাস পায়। আকৌ বৰ্তমান সময়ত ঘৰে

চিনাকি অচিনাকি গছ আৰু ইয়াৰ বৈজ্ঞানিক নাম
মানস প্ৰতিম দত্ত

ঘৰে গড় লৈ উঠা চাহ খেতিয়ে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ আৰু জীৱিকাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে ।

অলপতে লখিমপুৰ জিলাত চাহ খেতিয়কৰ ঔষধৰ প্ৰতাপত মূগা খেতিয়সকলৰ মূগা নষ্ট হোৱা বুলি দৈনিক কাকতত বাতৰি পঢ়া মনত পৰে।

**পাঁচ জুনৰ গছবোৰ:**

পাঁচ জুন বিশ্ব পৰিৱেশ দিৱস । এই দিৱস , বিশেষকৈ শিক্ষানুষ্ঠানসমূহত আয়োজন কৰাটো বাধ্যতামূলক । প্ৰায় সংখ্যক বিদ্যালয়-মহাবিদ্যালয়ত প;ৰিৱেশ দিৱসৰ আগদিনা ছাত্ৰ ছাত্ৰীক বিদ্যালয়লৈ একোটিকৈ গছ পুলি ৰোপনৰ বাবে আনিবলৈ নিৰ্দেশ দিয়া হয়। সেয়েহে প্ৰতিজন ছাত্ৰ ছাত্ৰীয়ে বিদ্যালয়লৈ একোটা পুলি আনিবলৈ চেষ্টা কৰে । কিন্তু কাৰ্যক্ষেত্ৰত দেখা যায় যে সৰহ সংখ্যক পুলিয়েই আনিব লাগে বুলিয়েই উভালি অণাৰ ফলত নষ্ট হৈ যায়। অৰ্থাৎ পৰিৱেশ সংৰক্ষণৰ বিশেষ দিনটোতে বহুতো গছপুলি ধ্বংস কৰি পেলোৱা হয়। সেয়েহে আমি ভাৱো পৰিৱেশ দিৱসৰ দিনা ৰোপন কৰিবলগীয়া গছ পুলিসমূহ বিদ্যালয়সমূহে নিজাববীয়াকৈ শিক্ষকৰ তত্বাৱধানত অনা উচিত। তদুপৰি গছপুলি ৰোপণৰ পাছত বাহ বা তাঁৰৰ বেৰ এখন দিয়ে দায়িত্ব সামৰাৰ সলনি নিৰ্দিষ্ট সময়ত গছপুলিটোৰ চোৱা চিতা কৰা, পানী দিয়া আদিৰ প্ৰতিও গুৰুত্ব দিয়া উচিত ।

আমাৰ এক ভ্ৰান্ত ধাৰণা আছে যে আমি পৰিৱেশ দিৱৰ দিনা কেৱল বিলুপ্তাপ্ৰায় গছ অথবা ঔষধি গুণসম্পন্ন আৰু দামী গছসমূহ ৰোপন কৰাহে উচিত। এই ক্ষেত্ৰত মই ভাৱো বিদ্যালয়সমূহত নাৰিকল, কল আদিৰ পুলি ৰোৱা উচিত। ইয়াক বিভিন্ন সময়ত বিদ্যালয়লৈ অহা আলহী শুশ্ৰষা অথবা বিদ্যালয়ত আয়োজিত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা, খেল ধেমালিৰ সময়ত বিশেষকৈ ব্যৱহাৰ কৰিব পৰা যাব । এনে কৰিলে খৰচ অবিহনেও ছাত্ৰ ছাত্ৰীৰ পুষ্টিকাৰক খাদ্য বিদ্যালয়খনে নিজেই যোগান ধৰিব পাৰিব।

চিনাকি অচিনাকি গছ আৰু ইয়াৰ বৈজ্ঞানিক নাম
মানস প্ৰতিম দত্ত

# বৈজ্ঞানিক নাম কিয় লাগে

আমাৰ পৃথিৱীখনত বিভিন্ন জীৱ-জন্তু, গছ-লতিকাৰে আগুৰি আছে। এই বৈচিত্ৰ্যতাই পৃথিৱীখনক মনোমোহা কৰি তুলিছে। প্ৰাকৃতিক বৈচিত্ৰৰ দৰেই পৃথিৱীত বহুতো ভাষা, উপ-ভাষা আছে। উদাহৰণ স্বৰূপে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ভাষা হিন্দী। ভাৰতবৰ্ষত আকৌ বিভিন্ন ৰাজ্য আছে। সেই ৰাজ্য সমূহৰ আকৌ নিৰ্দিষ্ট ভাষা আছে। ৰাজ্যসমূহত নিৰ্দিষ্ট ভাষা থকাৰ উপৰিও তাত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰো আকৌ নিজা ভাষা আছে। উদাহৰণস্বৰূপে, মানুহক হিন্দীত আদমী, ইংৰাজীত মেন, বাংলাত মানুষ, মিচিং ভাষাত টানি বুলি কোৱা হয়। মানুহৰ নামৰ দৰেই প্ৰত্যেক জীৱসম্প্ৰদায়ৰ সুকীয়া নাম অৰ্থাৎ স্থানীয় নাম আছে। অৰ্থাৎ একে প্ৰাণী বা উদ্ভিদৰ নাম বিভিন্ন প্ৰদেশত বেলেগ বেলেগ হয়। এনেধৰণৰ সমস্যা সমূহ দূৰ কৰাৰ উদ্দেশ্যে কেৰ'লাচ লিনিয়াছ নামৰ জীৱবিজ্ঞানী জনে ১৭৫৩ চনত বৈজ্ঞানিক নামৰ ধাৰণাৰ প্ৰৱৰ্ত্তন কৰে। এই পদ্ধতিৰ জৰিয়তে প্ৰতিটো জীৱকে এক সুনিৰ্দিষ্ট নামেৰে নামকৰণ কৰা হয় যাখ সেই নামেৰেসমগ্ৰ বিশ্বত চিনিব পাৰি। এই নামবোৰেই হ'ল বৈজ্ঞানিক নাম । এনেধৰণৰ বিজ্ঞানসন্মত নামসমূহত দুটা পদ বা অংশ থাকে। ইয়াৰ প্ৰথম পদটোক গণ আৰু দ্বিতীয় পদটোক প্ৰজাতি বোলে।

আমি জানো প্ৰাণী বা উদ্ভিদ ৰাজ্যৰ শ্ৰেণীবিভাজনৰ ক্ষুদ্ৰতম এককটোৱেই হ'ল প্ৰজাতি। প্ৰজাতি শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হ'ল স্পেচিছ। এই শব্দটো পোন প্ৰথমে জন ৰে নামৰ বিজ্ঞানীজনে ১৬৮৬ চনত তেওঁৰ হিষ্ট'ৰিয়া প্লেনটেৰাম নামৰ গ্ৰন্থখনত ব্যৱহাৰ কৰিছিল। প্ৰজাতি কি সেই ধাৰণাটো অতি সহজে বুজিবৰ বাবে আমি এটা উদাহৰণ সহায় ল'ব পাৰোঁ। ধান গছক উদাহৰণ হিচাপে ল'লে দেখাপাওঁ যে একেখন পথাৰৰ একেবিধ ধানৰে প্ৰতিজোপা ধানগছৰ

চিনাকি অচিনাকি গছ আৰু ইয়াৰ বৈজ্ঞানিক নাম
মানস প্ৰতিম দত্ত

আকাৰ-আকৃতি, উচ্চতা, বীজৰ পৰিমাণ আদিৰ পাৰ্থক্য থাকে যদিও সিহঁতৰ দেহৰ গঠন একে হোৱা দেখা যায়। অৰ্থাৎ আমি ধানজোপা দেখিয়েই ক'ব পাৰোঁ যে ইয়াৰ পূৰ্বপুৰুষ একে। সংজ্ঞা অনুসৰি প্ৰজাতি হৈছে দৈহিক আৰু প্ৰজনন সম্বন্ধীয় চৰিত্ৰগত বৈশিষ্ট্যৰ ফালৰ পৰা পাৰস্পৰিক সাদৃশ্য থকা আৰু একে পূৰ্বপুৰুষৰ পৰা সৃষ্টি হোৱা জীৱসমষ্টি। বিভিন্ন সময়তএকেপ্ৰজাতিৰ জীৱসমূহৰ মাজত চৰিত্ৰৰ কিছুমান তাৰতম্য লক্ষ্য কৰা হয়। এই তাৰতম্যৰ ওপৰত ভিত্তি কৰি প্ৰজাতিসমূহক বিভিন্ন উপ-প্ৰজাতিত ভাগ কৰা হয়। উদাহৰণস্বৰূপে কবি প্ৰজাতি *Brassica campestris* ৰ কথা ক'ব পাৰোঁ। ইয়াৰ বন্ধাকবি *Brassica campestris* var. *capitata* আৰু ফুলকবি *Brassica campestris* var. *oleracea* কবি প্ৰজাতি *Brassica campestris*ৰ অন্তৰ্গত।

প্ৰজাতিতকৈ উচ্চ এককটোৱেই হ'ল গণ। একেটা বংশৰ পৰা সৃষ্টি হোৱা পাৰস্পৰিক সম্পৰ্কযুক্ত প্ৰজাতিৰ গোট বা সমষ্টিক গণ বুলি কোৱা হয়। উদাহৰণস্বৰূপে বিহলঙনিৰ বৈজ্ঞানিক নাম হ'ল *Polygonum hydropiper* । ইয়াত গণ হ'ল *Polygonum* আৰু প্ৰজাতি হ'ল *hydropiper* । এনেধৰণেৰে বৈজ্ঞানিক নামসমূহ নামকৰণ কৰোতে নিৰ্দিষ্ট জীৱবিধৰ নামকৰণ কৰা বিজ্ঞানীজনৰ নামটো বৈজ্ঞানিক নামৰ কাষত লিখা হয়। উদাহৰণস্বৰূপে বিহলঙনিৰ বৈজ্ঞানিক নামক নাম *Polygonum hydropiper* হিচাপে লিনিয়াছে নামকৰণ কৰিছিল। সেয়েহে বিহলঙনিৰ সম্পূৰ্ণ বৈজ্ঞানিক নাম হ'ল *Polygonum hydropiper* Linnaeus । বিজ্ঞানীজনৰ সম্পূৰ্ণ নামটো ডাঙৰ হ'লে ইয়াকে সংক্ষেপে লিখা হয়। উদাহৰণস্বৰূপে লিনিয়াছ নামটো ডাঙৰ হোৱা বাবে ইয়াক Linn. বা L লিখা হয়।

চিনাকি অচিনাকি গছ আৰু ইয়াৰ বৈজ্ঞানিক নাম
মানস প্ৰতিম দত্ত

# চিনাকি-অচিনাকি গছ
# আৰু ইয়াৰ বৈজ্ঞানিক নাম

## অ-ৰ পৰা ক-লৈ


অমিতা

*কেৰিকা পাপায়া*


অমৰা

*স্পণডিয়াছ পিন্নাটা*


অশোক

*চাৰাকা ইণ্ডিকা*


অমাৰি

*অমোৰা ৱাল্লিচি*


অপৰাজিতা

*ক্লিট’ৰিয়া টেৰনাটি*


অৰ্জুন

*টাৰ্মিনালিয়া অৰ্জুনা*



অশ্বগন্ধা

*উইথনিয়া ছমনিফেৰা*



অগৰু

*একুইললেৰিয়া এগাল্ল’চা*



আদা

*জিনজিবাৰ অফিচিনেলি*



আম

*মেংগিফেৰা ইণ্ডিকা*



*আমলখি*

*এম্বলিকা অফিচিনেলিচ*



*আকন*

*কেল’ট্ৰ’পিচ গিগানটি*




আজাৰ

*লাগেষ্ট্ৰ'ইমিআ স্পেচিঅ'চা*



আজ্ঞাচিত

*প্লামবাগ' জেইলানিকা*



আঁহত

*ফাইকাছ ৰিলিজিয়াছ*



উৰিয়াম

*বিচ্ছ'ফিআ জাভানিকা*



ঔ-টেঙা

*ডিল্লেনিআ ইণ্ডিকা*



ওল কচু

*এম'ৰফ'ফেল্লাছ পইনিফলিআচ*





কঁঠাল

আৰ্ট'কাৰপাছ হেটেৰ'ফাইলাছ

কদম

এন্থ'ছেফালাছচাইনেনচিছ





কৃষ্ণচূড়া

ডেল'নিক্স ৰ'জিয়া

কল

মুচা চেপিএণ্টাম





কাক বাঁহ

ডেনৰ'কেলামাছ গিগেণ্টিআছ

কৰচ

পংগামিআ পিন্নাটা



কৰৈ

এলবিজ্জিআ প্ৰ'চেৰা



কৰবী

থেভেচিয়া নেৰিফল্লিআ



কৰ্পূৰ

চিন্নাম'মাম কেম্ফ'ৰা



খেজুৰ

ফ'ইনিক্স ডেক্টাইলিফ'ৰা



খোকন

ডুবাংগা গ্ৰেণ্ডিফ্ল'ৰা



কেৱল ইক'ন'মি নহয় ইক'ল'জিৰ কথাও ভাবো আহক

